**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 27-04-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::::***

পঞ্চায়ত নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে শাসক-বিৰোধীৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। গোৱালপাৰা জিলাতো নিৰ্বাচনী প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। আজি সন্ধিয়া গোৱালপাৰা চহৰৰ সমীপৱৰ্ত্তী গোবিন্দপুৰ-চালাত কংগ্ৰেছ দলে দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। এই প্ৰচাৰ সভাত দলৰ জ্যেষ্ঠ নেতা তথা ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে অংশগ্ৰহণ কৰে। তেওঁ বিজেপি আৰু অসম গণ পৰিষদ দলক সমালোচনা কৰি নিজ দলৰ প্ৰাৰ্থীসকলৰ বাবে ৰাইজৰ পৰা ভোট বিচাৰে। সভাত পূব গোৱালপাৰা বিধায়ক এ কে ৰছিদ আলম আৰু জলেশ্বৰ বিধানসভা সমষ্টিৰ বিধায়ক আফতাব উদ্দিন মোল্লাও উপস্থিত থাকে।

ooooo

ধুবুৰী জিলাৰ কেন্দ্ৰীয় ট্ৰেড ইউনিয়ন আৰু সংযুক্ত মৰ্চাৰ আহ্বানত কাশ্মীৰৰ পেহেলগামত হোৱা সন্ত্ৰাসবাদী আক্ৰমণৰ গৰিহণা দি জিলাখনৰ গৌৰীপুৰত ভালেসংখ্যক লোকে বিক্ষোভ প্ৰদৰ্শন কৰে। জনসাধাৰণে সন্ত্ৰাসবাদ তথা মৌলবাদক কঠোৰভাৱে দমন কৰিবলৈও চৰকাৰৰ ওচৰত দাবী জনায়। এনে ধৰণৰ জঘন্য ঘটনা পুনৰাবৃত্তি হ'ব নোৱাৰে তাৰ বাবে সকলো ধৰণৰ ব্যৱস্থা ল'বলৈ আৰু ঘটনাৰ সৈতে জড়িত সন্ত্ৰাসবাদীসকলক কঠোৰ শাস্তি বিহিবলৈ ট্ৰেই ইউনিয়নৰ নেতৃবৃন্দই চৰকাৰৰ প্ৰতি আহ্বান জনায়।

তামুলপুৰ জিলাৰ নাগ্ৰীজুলিতো আজি পেহেলগামত পাক সমৰ্থিত সন্ত্ৰাসবাদীৰ বৰ্বৰ আক্ৰমণৰ বিৰোধিতা কৰা হয়। নাগ্ৰীজুলি সচেতন হিন্দু সমাজৰ দ্বাৰা উলিওৱা এটা প্ৰতিবাদী সমদলত দুই শতাধিক লোকে অংশগ্ৰহণ কৰে। সমদলটো নাগ্ৰীজুলিৰ ভাওৰাগুৰি হিন্দী স্কুল চ'কৰ পৰা নাগ্ৰীজুলি কলেজ চ'ক হৈ যাত্ৰা কৰাৰ সময়ত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে প্ৰতিবাদত মুখৰ হৈ পৰে। পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণত জড়িতসকলৰ বিৰুদ্ধে কঠোৰ শাস্তি প্ৰদান কৰিবলৈও নাগ্ৰীজুলি সচেতন হিন্দু সমাজে চৰকাৰৰ প্ৰতি আহ্বান জনাইছে।

ooooo

যোৱা ২২ এপ্ৰিলত জম্মু-কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীৰ আক্ৰমণত নিহত লোকসকলৰ প্ৰতি আজি পাঠশালা মাৰোৱাৰী সেৱা সদন চৌহদত পাঠশালা মাৰোৱাৰী সমাজে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। পাঠশালা মাৰোৱাৰী সেৱা সদনৰ উপ-সভাপতি দিলীপ হাস্নাৰিয়াৰ সভাপতিত্বত আয়োজিত এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সদনৰ যুটীয়া সম্পাদক গণেশ আগৰৱালাই কাৰ্যসূচীৰ উদ্দেশ্য ব্যাখ্যা কৰে। তেওঁ পেহেলগামত সন্ত্ৰাসবাদীৰ আক্ৰমণক অমানৱীয় কাৰ্য বুলি অভিহিত কৰাৰ লগতে ইয়াক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। বৈঠকত মাৰোৱাৰী সমাজৰ কেইবাগৰাকীও ব্যক্তিয়ে মৃতকসকলৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ লগতে সন্ত্ৰাসবাদক কঠোৰ হাতেৰে দমন কৰিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনায়।

০০০০০

পশ্চিম দৰং জাতীয় বিদ্যালয়ত আজি জাতীয় বিদ্যালয় ৰাজ্যিক বৃত্তি আৰু দৰং জিলা জাতীয় বিদ্যালয় বৃত্তিত স্থান লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক বঁটা প্ৰদান অনুষ্ঠান বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয়। এই অনুষ্ঠানত ৰাজ্যিক বৃত্তিপ্ৰাপ্ত ২১১গৰাকী আৰু জিলা বৃত্তি লাভ কৰা ৫৮গৰাকী ছাত্ৰ-ছাত্ৰীক বৃত্তিৰ বঁটা প্ৰদান কৰা হয়। কেন্দ্ৰীয় জাতীয় বিদ্যালয়ৰ ছাত্ৰ মান্যম শৰ্মাই অষ্টম শ্ৰেণীৰ শাখাত আৰু জাতীয় বিদ্যালয়ৰ ছিপাঝাৰৰ ছাত্ৰী সৃষ্টিৰূপা বৰুৱাই পঞ্চম শ্ৰেণীৰ শাখাত শ্ৰেষ্ঠ হোৱা বাবে বৃত্তিৰ বঁটা লাভ কৰে। অসম জাতীয় বিদ্যালয়ৰ শিক্ষা সংসদৰ দ্বাৰা প্ৰথমবাৰলৈ আয়োজন কৰা ৰাজ্যিক বৃত্তি পৰীক্ষাত জাতীয় বিদ্যালয় ছিপাঝাৰৰ ছোহেইল তনবীৰ, জ্ঞান দৰ্শন জাতীয় বিদ্যালয়ৰ ছাত্ৰ ধৃতিস্মিতা কাকতী আৰু কেন্দ্ৰীয় জাতীয় বিদ্যালয়ৰ ছাত্ৰ শুভংকৰ শৰ্মাই বৃত্তি লাভেৰে জিলাখনলৈ সুনাম কঢ়িয়াই আনিছে।

০০০০০

বাক্সা জিলাৰ গাৰামদেউত আজি বাক্সা আঞ্চলিক সাহিত্য সভাৰ অধিবেশন সম্পন্ন হয়। এই উপলক্ষে পুৰা পতাকা উত্তোলন, স্মৃতি তৰ্পন আদি কাৰ্যসূচীৰ পাছত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰাত অসমৰ বিভিন্ন সংস্কৃতি প্ৰদৰ্শন কৰা হয়। নৱনিৰ্বাচিত সভাপতি দয়াল কলিতাৰ সভাপতিত্বত বিয়লিৰ ভাগত এখন মুকলি সভা অনুষ্ঠিত হয়।

০০০০০

হোজাইৰ কাকীত আজি হাইস্কুল শিক্ষান্ত পৰীক্ষা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ২৯ গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। এটা বেচৰকাৰী সংস্থাৰ উদ্যোগত আয়োজিত অনুষ্ঠানত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ২৯ গৰাকী ছাত্ৰ-ছাত্ৰীক বঁটা আৰু নগদ ধন আগবঢ়োৱা হয়। এই অনুষ্ঠানতে হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথমস্থান দখল কৰা যোৰহাটৰ আমিশী শইকীয়াকে ধৰি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ আন কেইজনমান কৃতি শিক্ষাৰ্থীক সম্বৰ্ধনা জনোৱা হয়।

০০০০০

গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগত ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ সহযোগত গুৱাহাটীৰ আৰ জি বৰুৱা ক্ৰীড়া প্ৰকল্পৰ কনকলতা ইনড'ৰ ষ্টেডিয়ামত আজিৰে পৰা বেডমিণ্টন প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। দুদিনীয়াকৈ আয়োজিত এই প্ৰতিযোগিতাত ১৬ গৰাকী মহিলা আৰু ৩৭গৰাকী পুৰুষ খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ দিল্লীত অনুষ্ঠিত এখন খেলত ডেলহী কেপিটেলছে প্ৰথমে বেট ধৰি ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুক জয়ৰ বাবে ১৬৩ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

ইপিনে, আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত আন এখন মুম্বাই ইণ্ডিয়ানছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৫৪ ৰাণত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি মুম্বাই ইণ্ডিয়ানছে নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ২১৫ ৰাণ সংগ্ৰহ কৰে। মুম্বাইৰ হৈ ৰায়ন ৰিকেল্টনে ৫৮ আৰু সূৰ্য কুমাৰ যাদৱে ৫৪ ৰাণৰ বৰঙণি আগবঢ়ায়।

০০০০০

ঃঃ সমাপ্ত ঃঃ